As 276
424
195

# পদ্মপুৰাণ

(স্বৰ্গ খণ্ড)



৺সাৰ্ব্বভৌম ভট্টাচাৰ্য্য

মূল্য -

745 424

# পদ্মপুৰাণ

Ass 216

## ( স্বৰ্গ খণ্ড )

1953
ৠ 318

৺সাৰ্ব্বভৌম ভট্টাচাৰ্য্য

বিৰচিত

PUTHIGHAR
পুথিঘৰ
NOWGONG, A

ধলৰ সত্ৰ পুথি ভঁৰাল
পোঃ ধলৰ সত্ৰ,
যোৰহাট, অসম।

প্ৰকাশক :
শ্ৰীনৰনাথ গোস্বামী
ধলৰ সত্ৰ পুথি ভঁৰাল
পোঃ ধলৰ সত্ৰ, অসম

দ্বিতীয় তাঙ্গৰণ—১৯৬২

মূল্য ঃ ৭৫ ন. প.

মুদ্ৰক ঃ
শ্ৰীকালীচৰণ পাল
নবজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

Sl No
216

শ্ৰীশ্ৰীকৃষ্ণায় নমঃ

# পদ্মপুৰাণ

## স্বৰ্গ-খণ্ড

---

নাৰায়ণং নমস্কৃতং নৰঞ্চৈৱ নৰোত্তমং।
দেৱীং সৰস্বতীং ব্যাস ততো জয়মুদিৰয়েৎ॥

### পদ

জয় নমো নিজ ব্ৰহ্ম কৃষ্ণ ইষ্ট দেৱ।
তোমাৰ চৰণে কৰো লক্ষ কোটি সেৱ॥
শ্ৰীমন্ত শঙ্কৰ সন্তমূৰ্ত্তি অৱতাৰ।
তোমাৰ চৰণে কৰো কোটি নমস্কাৰ॥ ১
নমো মৎস্য কুৰ্ম্ম আদি অৱতাৰ যত।
প্ৰণামো মাধৱ আদি সমস্ত ভকত॥
অনন্ত কন্দলি আদি ভক্ত বিপ্ৰগণ।
প্ৰণাম কৰোহো পৰি সবাৰ চৰণ॥ ২

কবি সাৰ্ব্বভৌম ভট্টাচাৰ্য্য নাম যাৰ।
পুৰাণ সংহিতা পদ কৰিবো প্ৰচাৰ॥
কাক হৈয়া যজ্ঞভাগ ভুঞ্জিবাক চাওঁ।
সিংহৰ বিক্ৰম দেখি শৃগালে উধাওঁ॥ ৩
জুয়াঙনি হুয়া চন্দ্ৰ প্ৰকাশক মন।
দীপ হৈয়া হৈবে খোজো সহস্ৰ কিৰণ॥
গৰুড়ৰ উৰাৰক টিপচি হৈয়া লওঁ।
মউপীয়া চৰায়ে পৰ্ব্বত দাঙি লওঁ॥ ৪
তথাপিতো পদ কৰিবাক ভৈলা মন।
কৰযোৰে বোলো শুনা যত মহাজন॥
যদি বঢ়া টুটা হোৱে বুধিৰ দোষত।
পদ্মপুৰাণৰ স্বৰ্গখণ্ড ৰহস্যত॥ ৫
নিনিন্দিবা সবাকাৰো ধৰো চৰণত।
নাৰায়ণে ব্ৰহ্মা আগে কৈলা ভবিষ্যত॥
কালৰ যতেক ধৰ্ম্ম নিৰূপি আচয়।
ব্ৰহ্মা আগে কহি হৰি গুচাইলা সংশয়॥ ৬
শুনিয়োক বিধি কলি যুগৰ নিৰ্ণয়।
নামে কলিযুগ ধৰ্ম্ম দুৰ্ব্বল নিশ্চয়॥
সত্য যুগে ধ্যান ত্ৰেতা যুগে যজ্ঞ কৰে।
দ্বাপৰত সেৱা পূজা কষ্টব্ৰত ধৰে॥ ৭
এহিমতে চাৰি যুগে যুগ ধৰ্ম্ম ধৰি।
মোক্ষক লভয় জীৱে জানা নিষ্ঠ কৰি॥
শ্ৰৱণ ভজন ভক্তি চাৰি যুগে লয়।
তোমাক কহিলো ব্ৰহ্মা জানিবা নিশ্চয়॥ ৮

মৎস্য কুৰ্ম্ম আদি মোৰ অৱতাৰ যত।
এৰৈকেক কাৰ্য্যক লাগি ধৰো স্বৰূপত॥
দুই এক কথা তাৰ শুনা সাবোদ্ধাৰ।
কেবল ভক্তিক ময় কৰিবো প্ৰচাৰ॥ ৯
আদি সত্যযুগেও ভকতি হৰি নাম।
শৰণ ভজন ভক্তি আতি অনুপাম॥
মহানন্দে সুখক লভয় জীৱচয়।
মোৰ মহা প্ৰিয় হুয়া বৈকুণ্ঠে চলয়॥ ১০
দেৱতাৰ সেৱা পূজা ভাগিলেক ঘট।
চুৰ কৰি থৈলা ভক্তি কৰিয়া কপট॥
সেহি ভক্তি গুপ্ত হৈয়া অদ্যাপি আছয়।
কলিযুগে সন্তৰূপে প্ৰকাশিবো ময়॥ ১১
সেহি কলিযুগে মঞি কৰিবোহো সাৰ।
যদুবংশে যৈসানি হৈবোহো অৱতাৰ॥
অৱশ্যে সংসাৰ তৰিবেক নিৰন্তৰ।
ভাগৱত শাস্ত্ৰমত কৰিবো প্ৰচাৰ॥ ১২
সেহি কলি যুগে শুক মুখে ভাগৱত।
কহিলা বিস্তাৰি পৰীক্ষিতৰ আগত॥
সৃষ্টি আদি কৰি যত কৰ্ম্ম নিৰন্তৰ।
কলি যুগে সিটো শ্ৰেষ্ঠ শুনা বিধিবৰ॥ ১৩
শ্ৰৱণ কীৰ্ত্তন ভক্তি ভকতক দিবো।
সজ্জনক নিয়া মহা প্ৰীতিক সাধিবো॥
অংশ কলা বিভূতিৰ যত শক্তি লই।
বসুদেৱ গৃহত জন্মিবো গৈয়া মই॥ ১৪

দ্বাপৰ যুগৰ শেষ কলি উদয়ত।
অৱতাৰ হৈবো বিধি কৈলো স্বৰূপত॥
অনন্ত প্ৰকৃতি হৰ তুমি বিধিবৰ।
পাৰিষদ দেৱ ভোগ গোপী শ্ৰেষ্ঠতৰ॥ ১৫
সমস্তে জন্মিব বৃন্দাবনে গকুলত।
কৰিবোহো লীলা খেলা আনন্দে মনত॥
সন্তক পালিবো দুষ্টগণ সংহাৰিবো।
গোপী সকলক পূৰ্ণ ভক্তি দান দিবো॥ ১৬
কংস পুতনাক নিজ শক্তিৰে বধিবো।
কংসক বধিয়া মই নিজ অংশ হৈবো॥
মোৰ নিজ শক্তি যশ পৃথিবীক জুৰি।
থৈবেক গুপুতে ভকতৰ মন পুৰি॥ ১৭
কৰযোৰে ব্ৰহ্মা পাছে বুলিলা বিনয়।
পূৰ্ণ অৱতাৰ প্ৰভু কেন মতে হয়॥
বুলিলন্ত নাৰায়ণে শুনা সৃষ্টিকৰ।
পঙ্কজ বিলাস নাসে আতি শ্ৰেষ্ঠতৰ॥ ১৮
তাহাতে আছোঁহো ময় নিজৰূপ ধৰি।
প্ৰেমত মূৰুতি ভক্ত সমে লীলা কৰি॥
সবে দুই ভুজ নাই মায়াৰ আভাস।
ৰেখা ৰূপে লক্ষ্মী সৰস্বতীৰ প্ৰকাশ॥ ১৯
পৰম ব্ৰহ্মৰূপে সবে আতি সুশোভন।
প্ৰেম অমৃতক পান কৰে সৰ্ব্বক্ষণ॥
শুনিয়োক কহো ব্ৰহ্মা তোমাৰ আগত।
পূৰ্ণ অৱতাৰ মোৰ নাহি কাৰণত॥ ২০

পূৰ্ণ ভৈলে অস্ত্ৰ শস্ত্ৰ নধৰোহোঁ ময়।
সৃষ্টি স্থিতি সংহৰি কাৰণ সবে হয়॥
বহুবাৰ নাম মূৰ্ত্তি নধৰোহোঁ ময়।
কেৱল ভক্তিকে থাকোঁ কৰিয়া আশ্ৰয়॥ ২১
সন্ত মূৰ্ত্তি ধৰি থাকো শুনা সৃষ্টিকৰ।
সদায়ে সপ্ৰেম ভাৱে শুনা বিধিবৰ॥
অব্যক্ত মূৰ্ত্তি যে বহু স্বৰূপে ধৰিবো।
নিজ অংশ কৃষ্ণ বুলি তাতেসে কহিবো॥ ২২
পূৰ্ণভাৱ স্বৰূপত তোমাত কহিবো।
পৰম আনন্দ ভাৱে ৰসত মজিবো॥
পূৰ্ব্বতো কহিয়া আছো হৰৰ আগত।
কলিৰ যতেক ভাৱ ধৰ্ম্ম স্বৰূপত॥ ২৩
পৰম ৰহস্য ইটো বেদান্তৰ সাৰ।
কৰিলোহো ভাগৱত তোমাত প্ৰচাৰ॥
অনন্তে কৰিছে চাৰি সিদ্ধৰ আগত।
সম্প্ৰদা স্বৰূপে প্ৰবৰ্ত্তিব ভাগৱত॥ ২৪
অপবিত্ৰ সুত যিটো জগতে প্ৰখ্যাত।
গুৰু মানি সততে শুনিবো ভাগৱত॥
কহিলন্ত ভাগৱত ঋষি সমাজত।
আঠাইশ সহস্ৰ ঋষি বেদত পাৰ্গত॥ ২৫
শুনিয়া ব্ৰহ্মাৰ মনে মিলিল সংশয়।
পণ্ডিতক গুৰু কিয় ঋষিয়ে মানয়॥
ব্ৰহ্মাক সম্বোধি হেন মাধৱে বুলিলা।
মোৰ ভকতৰ কিয় জাত বিচাৰিলা॥ ২৬

চাণ্ডালে ভজয় ভক্তি কৰিয়া আমাত।
মোত কৰি শ্ৰেষ্ঠ সিটো জানিবা সাক্ষাত'
সেহি জন মোৰ গুৰু জানিবা নিশ্চয়।
ঋষিয়ে মানিলে গুৰু কৰাহা সংশয়॥ ২৭
জানিবাহা বিধি কলিযুগে ব্ৰাহ্মণৰ।
ব্ৰহ্মতেজ নষ্ট হৈবে শুনা সৃষ্টিকৰ॥
উত্তৰী নিৰ্গুণ চিহ্ন আমাত বিমুখ।
এৰি জাতি কুলক পাইবে মহাদুঃখ॥ ২৮
ব্ৰত কৰি ক্ৰয় কৰি নাম দান লৈব।
মোহোক নভজি আন দেৱক ভজিব॥
লোকত কহিব আমি শ্ৰেষ্ঠ দ্বিজবৰ।
তাহাঙ্কে শাশ্বত মানিবেক অজ্ঞ নৰ॥ ২৯
গুৰু বোলাই ফুৰিবেক পাষণ্ডৰ লয়।
ধৰ্ম্ম জ্ঞান দেখাইবে লোকত নিশ্চয়॥
সেহি বিপ্ৰ চাণ্ডাল যে অধম দুৰ্জ্জন।
তাৰ উপদেশ লৈয়া নষ্ট হৈব আন॥ ৩০
অজ্ঞানত থাকি যদি উপদেশ লয়।
শিষ্য সমন্বিতে সিটো নৰকে পৰয়॥
কলিৰ লোকৰ মই কি কৈবো মহিমা।
আপুনি কহিয়া তাৰ নপাইলোহো সীমা॥ ৩১
চাণ্ডাল পৰ্য্যন্ত তৰে স্মৰিয়া যাহাক।
একৈক নামৰ কি কহিবো মহিমাক॥
কোটি অসংখ্যাত গো ব্ৰাহ্মণক দেই দান।
কোটি অশ্বমেধ কৰে যত তীৰ্থ স্নান॥ ৩২

আশী বিধ ভক্তি নৱবিধ শ্ৰেষ্ঠতৰ।
নৱ বিধ মধ্যে তিনি বিধ শ্ৰেষ্ঠতৰ॥
এক সৎ সঙ্গত নিজ ভক্তি ধৰ্ম্ম পায়।
তথাপিতো দেৱ তীৰ্থে তৰিবাক চায়॥ ৩৩
মেৰু সম সুবৰ্ণক নিতে দেই দান।
ব্ৰহ্মহত্যা সুৰাপান অগম্যাগমন॥
পঞ্চ মহাপাতকী যিটো আৰু সমস্তত।
এক নামে নষ্ট কৰে কৈলো সাৰতত্ত্ব॥ ৩৪
কহিবোহো ব্ৰহ্মা শ্ৰেষ্ঠ ভক্তিৰ মহিমা।
পঞ্চবিধ মুক্তিৰ তোমাত কৈবো সীমা॥
আমাক পূজিয়া মুক্তি সালোক্যক পায়।
মোৰ পদ সেৱনত সামীপ্য মিলয়॥ ৩৫
সামীপ্যক পায় মোক কৰিয়া স্মৰণ।
সাৰূপ্য মুক্তিক পায় কৰিয়া বন্দন॥
মোৰ নাম গুণ যিটো কৰয় কীৰ্ত্তন।
সাংযোজ্য মুক্তিক দিওঁ কহিলো বচন॥ ৩৬
ইহাৰ বাহিৰে এক ভকতি আছয়।
ভকতৰ সঙ্গ সুখ সহজে খোজয়॥
ভাগৱতী ভকতৰ শুনিয়ো লক্ষণ।
সমস্তকে অৰ্পিবেক মোহোৰ চৰণ॥ ৩৭
অহঙ্কাৰ অহম্মম ত্যজিবে নিশ্চয়।
সাৰূপ্য মুক্তিত পাৱে শুনা মহাশয়॥
নিৰ্গুণ ভক্তৰ ব্ৰহ্মা শুনিয়ো কাৰণ।
আত্মা সম দেখিবেক যত ভূতগণ॥ ৩৮

আত্মা হিংসা নকৰিয়া আমাক ভজয়।
লীলা মুকুতিক দিওঁ কহিলো নিশ্চয়॥
ঐকান্তিক সপ্রেম কেৱল ভকতৰ।
লক্ষণ কহিবো মই শুনা সৃষ্টিকৰ॥ ৩৯
একান্ত ভক্তক গুৰু মানিবে প্ৰথম।
তান্ত উপদেশ লৈয়া আত্মাক নিয়ম॥
লাভালাভ সুখ দুখ মনে নমানিব।
লোভ মোহ কাম ক্ৰোধ সমস্তে ত্যজিব॥ ৪০
ইন্দ্ৰিয়ৰ বৃত্তি মানে আমাতে অৰ্পিব।
অন্য কৰ্ম্ম এড়ি মোৰ চৰণ চিন্তিব॥
সহনত হৈবে যেন ধৰণী মণ্ডল।
বোধত সমুদ্ৰ যেন ধৈৰ্য্যে মেৰুবল॥ ৪১
শৰণ ভজন ভক্তি বেদান্তৰ বাজ।
আনন্দে ভাবিলে পাই হৃদয়ৰ মাজ॥
মোহোৰ নামৰ মই কি হৈবো মহিমা।
আপুনি সহস্ৰ মুখে কহি নেপাওঁ সীমা॥ ৪২
মোক ভজিবেক মোৰ নেৰিবে নামক।
আত্মাসম দেখিবেক সমস্ত ভূতক॥
আনন্দতে মজি মোক হৃদয়ে ধৰয়।
বাতুল আকাৰ হুয়া কতোহো নাচয়॥ ৪৩
নিত্য নৈমিত্তিক যত সমস্তে ত্যজয়।
ইন্দ্ৰিয়ক দমি পৰম ব্ৰহ্ম ৰূপ হয়॥
মোত কৰি শ্ৰেষ্ঠ সিটো জানিবা নিশ্চয়।
প্ৰেমানন্দ ভক্তি মোত সততে কৰয়॥ ৪৪

নিত্যানন্দ সি সবৰ বৈকুণ্ঠত স্থান।
নিজ ভকতৰ পদে কৰিছো নিৰ্ম্মাণ॥
সবে চতুৰ্ভুজ পৰমব্ৰহ্ম নিৰূপম।
পুণ্য ভাৱে ভক্তি জ্ঞান কৰোহো কীৰ্ত্তন॥ ৪৫
যদি তিনি ভক্তি গুৰু হেলাক কৰয়।
ভকতিত ভ্ৰষ্ট হুয়া সংসাৰে পৰয়॥
কহিলোহো বিধি ময় তোমাত সম্প্ৰতি।
মহেশ্বৰ আগে কৈলো ই সব ভকতি॥ ৪৬
বৈষ্ণৱ জনৰ আবে শুনিয়ো লক্ষণ।
মাতৃ সম দেখিবেক পৰ দাৰাগণ॥
বিষ্ঠাসম দেখিবেক পৰৰ দ্ৰব্যক।
আত্মাসম দেখিবেক সমস্ত ভূতক॥ ৪৭
বেদৰ যে ব্যৱহাৰ কৰ্ম্ম আচৰিব।
আন দেৱতাক নিনিন্দিব নবন্দিব॥
মোহোক ভজিব মোৰ কীৰ্ত্তন আচৰি।
পৰম নিৰ্গুণ হৈবে কৈলো নিষ্ঠ কৰি॥ ৪৮
ইসব লক্ষণে বৈষ্ণবৰ ভাগী হয়।
মহা মোক্ষ দিওঁ তাক জানিবা নিশ্চয়॥
ইসব স্বভাৱ বৈষ্ণৱৰ যদি নাই।
যেন বেশ ধাৰী নটে টাটক খেলাই॥ ৪৯
শুনিয়োক ব্ৰহ্মা মোৰ ভকতৰ নয়।
বৰ্ণৰ বাহিৰ বিধি কিঙ্কৰ নোহয়॥
মোত বেদান্তত কৰি সিটো শ্ৰেষ্ঠতৰ।
মোৰ গুৰু সেহি জন শুনা সৃষ্টিকৰ॥ ৫০

চাৰিবৰ্ণ মাজে যিটো মোক ভক্তি কৰে।
অশেষ পাতক নাশি মোক্ষ লাভ কৰে॥
বেদ মন্ত্র দেবাদিৰ যত মন্ত্র চয়।
ব্রাহ্মণে দিবা জানা যোগ্যতা নোহয়॥ ৫১
আমাৰ অমূল্য যিটো ভক্তি ৰত্ন চয়।
অন্ত্যজেও ব্রাহ্মণক দিবাক পাৰয়॥
ইয়াত সংশয় ভৈল যিটো অজ্ঞানীৰ।
জানিবাহা ব্রহ্মা তাৰ ছেদ ভৈল শিৰ॥ ৫২
জাতি কুল বিচাৰিয়া বৈষ্ণৱ নিন্দয়।
পঞ্চম পাতকী হৈয়া নৰকে পৰয়॥
সাৰ্ব্বভৌম কবি ভট্টাচাৰ্য্য নাম যাৰ।
ৰাম ৰাম তৰা দুস্তৰ সংসাৰ॥ ৫৩

---

## দুলড়ি

আত অনন্তৰে, কৈবো এক কথা,
গুৰুৰ লক্ষণ সাৰ।
পঞ্চ ভূত মূল, ব্রহ্ম মন্দ্র কৰি,
দিবেক কৰি বিচাৰ॥
সমস্তে ভূতক, আত্মসম দেখি,
মনে হিংসা নকৰিব।
লাভালাভ সুখ, দুখকো নমানি,
সবাকো মোতে অৰ্পিব॥ ৫৪

কাম, ক্রোধ, লোভ, মোহ, মাৎসর্য্য,
দম্ভ, দ্বেষ এৰিবেক।
শাস্ত্রতো পণ্ডিত, আমাত ভকত,
তন্ত্র মন্ত্র জপিবেক॥
মনে দৃঢ় জানি, নৱ বিধ ভক্তি,
সততে মনে আচৰে।
উপদেশ দাতা, সেহি গুৰু হৈব,
শুনা তুমি সৃষ্টিকৰে॥ ৫৫
বিশিষ্ট শিষ্যত, সিটো জ্ঞান কৈব,
ছেদিব মন সংশয়।
যদ্যপি সংশয়, ছেদিব নোৱাৰে,
সেহি গুৰু নৰকী হয়॥
শুদ্ধ শিষ্যগণে, উপদেশ দাতা,
গুৰুকে হৰি মানিব।
গুৰুৱে শিষ্যত, দিব্য জ্ঞান কৈয়া,
সংশয় সবে ছেদিব॥ ৫৬
গুৰুৰ শিষ্যত, মইত লক্ষণ,
পৰম আনন্দ ময়।
ভৱ সাগৰৰ, গুৰুসে কাণ্ডাৰী,
বৈকুণ্ঠে লৈয়া চলয়॥
যদ্যপি শিষ্য, গুৰুৰ বিয়োগে,
দিব্য জ্ঞান নঘটয়।
মায়া জালে বদ্ধ, হুয়া সিটো জন,
সংসাৰ কূপে পৰয়॥ ৫৭

শুনা সৃষ্টি কৰ মহন্ত জনৰ,
লক্ষণ কহিবো আৰ।
মোৰ সৌম্যমূৰ্ত্তি, অন্তৰে ভাবিয়া,
কামনাক পৰিহৰ॥
মোৰ নিজ ৰূপ, সততে কৰয়
অনুভৱ সৰ্ব্বক্ষণ।
বেদ ব্যৱহাৰ, একো নলজ্ঘয়,
সেহিসে মহন্ত জন॥ ৫৮
সাধুৰ লক্ষণ, তোমাত কহিবো,
পৰম সন্তোষে শুনা।
সৰ্ব্ব ভূত সম, সদাচাৰ ধৰ্ম্ম,
নেৰিবেক সিটো জনা॥
ভাৰ্য্যা পুত্ৰগণ, দেহক অৰ্পিয়া
মোহোৰ চৰণে মাত্ৰ।
মহাতত্ত্ব জ্ঞান, জানিবা সতত
সেহিসে সাধুৰ পাত্ৰ॥ ৫৯
গঙ্গা গয়া আদি, যত তীৰ্থ আছে,
তেত্ৰিশ কোটি দেবতা।
সবাতো কৰিয়া, ভকতসে শ্ৰেষ্ঠ,
মোৰ ভকতেসে আত্মা॥
সিটো নিজ ভক্ত, দেখিলে মাত্ৰকে,
জগত পবিত্ৰ হয়।
মোত কৰি শ্ৰেষ্ঠ হোৱে সিটো জন,
পুজিবে তাঙ্ক নিশ্চয়॥ ৬০

সিটো নিজ ভক্তে, যি থানত মোক,
শ্ৰবণ কীৰ্ত্তন কৰে।
যত দেৱ তীৰ্থ, যত ধৰ্ম্ম কৰ্ম্ম,
তৈতে সিজে নিৰন্তৰে॥
যিটো গুৰু হৈয়া, পঞ্চ তত্ত্বকৰ্ম্ম,
সব ধৰ্ম্ম নজানয়।
প্ৰাণী হিংসা কৰি, শাস্ত্ৰকো নুবুজে,
নিষেধত প্ৰবৰ্ত্তয়॥ ৬১
দম্ভ অহঙ্কাৰ, স্ত্ৰীধনত মতি,
নিজ ভক্তি নজানিব।
সি হেন গুৰুক, শিষ্যে ত্যাজিবেক,
তাৰ বাক্য নমনিব॥
যত পাপ চয়, দহি ভস্ম কৰে,
শুনিয়া তৰে সংসাৰ।
বৈকুণ্ঠক ত্যজি, মই হওঁ বশ্য,
ভক্তিৰ মহিমা সাৰ॥ ৬২
হেনয় কীৰ্ত্তন, যি জনে নিন্দয়,
মোহোৰ দ্ৰোহী সিজন।
ভকতৰো দ্ৰোহী, সবাকো বঞ্চিলে,
তাহাৰ নাহি তাৰণ॥
যত তপ ধৰ্ম্ম, দেৱ পিতৃগণ,
সবাহাকো ভস্ম কৰয়।
আত্মাকো নিগ্ৰহ, পুণ্য নষ্ট কৰি,
নৰক পথে চলয়॥ ৬৩

## ছবি

মোৰ ভকতক যিটো, ৰাগ দ্বেষ নিন্দা কৰে,
শৰীৰত দুঃখক দিৱয়।
আয়ু শ্ৰীযশ চয়, সবে তাৰ নষ্ট হয়,
অৱহেলা মনত কৰয়॥
যত তপ ধৰ্ম্ম জ্ঞান, যাগ যোগ যজ্ঞ দান,
কাৰণ যে মোত কহিয়োক।
কোন ফল কিবা গতি, পাৰে সিটো মহামতি,
কহি প্ৰভু শঙ্কা গুচাওক॥ ৬৪

নাৰায়ণে কৰি লীলা বিধিত কহিবে লৈলা,
যাৰ ফল যেহি মত হয়।
যিটো ভক্ত প্ৰিয়ে মোৰ, বিধি মতে পূজা কৰে,
তাৰ পূজা লওঁ মহাশয়॥
দেবাদিৰো মন্ত্ৰচয়, নিন্দে যিটো দুৰাশয়,
তাৰ পূজা নকৰো গ্ৰহণ।
দেৱতাক শ্ৰেষ্ঠ কৰি, মোক মানে ভিন্ন কৰি
শুদ্ধি নোহে দেহ বুদ্ধি মন॥ ৬৫

যিটো পাপী দুৰাচাৰে, পুষ্পদানে পূজা কৰে,
শৰীৰত মোহোৰ নিশ্চয়।
পূজাক নলৈবো তাৰ, নানা দ্ৰব্য উপহাৰ,
গোমাংসৰ সদৃশ হোৱয়॥

সিটো দুষ্ট দুৰাশয়, অন্য দেবতাৰ লয়,
মোক অর্পি পূজাক কৰয়।
নাহিকে কল্যাণ তাৰ, অনেক পুৰুষ খসি,
নৰকত পৰিবে নিশ্চয়॥ ৬৬
অনেক জন্মৰ পুণ্য, নাশী আত্মঘাতী হৈয়া,
ভব কূপে ভ্রমিয়া ফুৰয়।
তোমাৰ আগত মই কহিলোহো সৃষ্টিকৰ,
আঙ্ক তুমি জানিবা নিশ্চয়॥
মোৰ নিজ ভক্ত সবে, অন্ত্যজো হোৱয় যদি,
মৃন্ময় যে মুৰ্ত্তিক পূজয়।
অক্ষৰক ব্রহ্ম মানি, পূজিবেক অনুমানি,
নমো কৃষ্ণ মন্ত্রক জপয়॥ ৬৭
তাতে ময় তুষ্ট হওঁ, সমস্ত দ্রব্যক পাওঁ,
বশ্য হওঁ সেৱক স্বভাৱ।
তুলসী পত্রৰ জলে, কিনিয়া নিলেক মোক,
মই সমে এক প্রেম ভাৱ॥ ৬৮

---

# পদ

তথাপি ব্রহ্মাৰ মনে মিলিল সংশয়।
তোমাৰেসে অংশ জীৱ যতেক হোৱয়॥
শুনিও চতুৰানন কথাৰ আশয়।
তোমাত কহিবো মই কথাক নিশ্চয়॥ ৬৯

ইটো ব্ৰহ্মাণ্ডত ব্ৰহ্ম অংশ জীৱ যত।
জ্ঞানী কৰ্ম্মী যোগী হৈয়া সংসাৰী ভকত॥
জলসাইত হন্তে জীৱ সেই জ্ঞানী হয়।
অনন্তৰ হন্তে সদা যোগী হৈয়া ৰয়॥ ৭০
পালক বিষ্ণুৰ হন্তে যি জীৱ আসয়।
সেই জীৱ কৰ্ম্মী হুয়া কৰ্ম্মক কৰয়॥
যিটো প্ৰকৃতিত হন্তে হোৱে চৰাচৰ।
অকৰ্ম্ম কৰিয়া পাপ ভুঞ্জে নিৰন্তৰ॥ ৭১
মোৰ নিজ অংশ যিটো শুদ্ধ জীৱগণ।
কেবল ভক্তিক কৰে শ্ৰৱণ কীৰ্ত্তন॥
জীৱৰ বিচাৰ হৰি কৰিলা নিশ্চয়।
তেবেসে ব্ৰহ্মাৰ মনে গুচিল সংশয়॥ ৭২
কৰযোড়ে ব্ৰহ্মা পাছে বুলিলা বিনয়।
পূৰ্ব্বত কৰিলা বহু নামৰ অন্বয়॥ ৭৩

---

## দুলড়ি

আত অনন্তৰে, শুনিয়োক ব্ৰহ্মা,
তোমাত কহোঁ সম্প্ৰতি।
মোহোৰ নামৰ, ময় অন্ত নেপাওঁ,
তথাপি সোধা যুগুতি॥

এৰৈক নামৰ, কতেক মহিমা,
কি কৈবো মই তোমাত।
যতেক কহিলো, তোমাত পূৰ্ব্বত,
কহিয়া আছো সাক্ষাত॥ ৭৪
গো পদে বেদ, শিৰোৰত্ন ভাগে,
মোহোৰ পদ সেৱয়।
সা পদে গীতা, আদি শাস্ত্ৰ সব,
মোক নিতে উপাশয়॥
ই পদে ব্ৰহ্মা, তুমি আদি কৰি,
আত্মা ৰূপে আছো ময়।
এই হেতু ব্ৰহ্মা, গোসাঁই নামৰ,
কহিলো দিব্য অন্বয়॥ ৭৫

## পদ

হেন শুনি ব্ৰহ্মাদেৱে সোধন্ত দুনাই।
কলি যুগে নাম বিনে আৰ শ্ৰেষ্ঠ নাই॥
শুনিয়োক ব্ৰহ্মা তুমি যত জীৱগণ।
মায়া শয্যামাজে শুতি ভৈল অচেতন॥ ৭৬
অৱনত হৈয়া ব্ৰহ্মা বুলিলা বিনয়।
কেন মতে প্ৰভু ভক্তি শয্যা খান হয়॥
শুনি মাধৱৰ মনে আনন্দিত ভৈলা।
ভকতিৰ শয্যা খান কহিবাক লৈলা॥ ৭৭

মোহোৰ অমূল্য সিটো দুখানি চৰণ।
সজ ভকতৰ সিটো গৃহ সুশোভন॥
দৃঢ়তৰ বুদ্ধি শিল তলত পাৰিব।
ভকতিৰ শয্যা খান ওপৰে থাপিব॥ ৭৮
সত্য, শৌচ, ক্ষমা, দয়া চাৰি খুৰা তাত।
বিচাৰে সন্তোষে সঙ্গ সৎসঙ্গ যে পাট॥
দয়া, ক্ষমা, স্তুতি, বিৰকতি চাৰি শলা।
নৱবিধ ভক্তি পিৰা খাটৰ যে ভৈলা॥ ৭৯
মহা পঞ্চভূত তাৰ চচালি ভৈলন্ত।
পুৰুষাৰ্থ সুত্ৰ কৰি গুঠিয়া আছন্ত॥
শান্তশীল ঢাৰী পাতি নম্রে তুলি ভৈলা।
প্ৰেমে তাৰ বস্ত্র হুয়া ওপৰক ৰৈলা॥ ৮০
গুৰু শিক্ষা গাৰু গোট শিতান ভৈলন্ত।
জাপৰ কাপোৰ তাৰ বিশ্বাস হৈবন্ত॥
শুদ্ধ সদাচাৰ ধৰ্ম্ম আঠুৱাৰ হয়।
বিবেক স্বস্তিক সুখ তাৰ ৰজ্জু হয়॥ ৮১
এহি মতে ভক্তি শয্যা প্ৰকাশ কৰয়।
বিজ্ঞান প্ৰদীপ চাৰি দেশে প্ৰকাশয়॥
বেদৰ গুপুত ইটো ভক্তি শয্যা খান।
নিজ ভকতৰ হেতু কৰিছো নিৰ্ম্মাণ॥ ৮২
কৰ যোড়ে ব্ৰহ্মা পাছে বুলিলা বিনয়।
ভকতিৰ শয্যা শুনি গুচিল সংশয়॥
সংসাৰ বৃক্ষক তাক সমস্তে জানিয়ো।
ভকতি বৃক্ষতে নিয়া তাহাতে বুজিয়ো॥ ৮৩

মাধৱ বদতি বিধি তোমাত কহিলো।
পৰম আনন্দ মনে তত্ত্ব বিচাৰিলো॥
ব্ৰহ্মাৰ অসাধ্য যিটো বেদৰ অগম্য।
ভকতিৰ বৃক্ষ সিটো ৰহস্য পৰম॥ ৮৪
মোৰ শান্ত মূৰ্ত্তি যিটো নিজ ব্ৰহ্ম ময়।
মোৰ সেৱা সৎসঙ্গ যে দুই ফল হয়॥
শুদ্ধ ধৰ্ম্ম গুৰু শিক্ষা মন্ত্ৰ তিনি মূল।
নিজ ভক্তি সাৰ ভৈল বৃক্ষৰ যে তুল॥ ৮৫
কৃপাযুক্ত নাম প্ৰেম চাৰি ৰস হয়।
পঞ্চবিধ মূৰ্ত্তি শিপা বৃক্ষৰ যে হয়॥
শৰণ ভজন আচৰণ প্ৰবৰ্ত্তন।
শান্ত শীল হয় উৰ্ম্মি আত্মাৰ লক্ষণ॥ ৮৬
বিৰকতি সত্য শৌচ দয়া যে হোৱয়।
ধৈৰ্য্য ক্ষমা স্তুতি সাত ধাতুৰ আলয়॥
নৱবিধ ভক্তি মোক্ষ ডাল ভৈল তাৰ।
আশীবিধ ভক্তি উপশাখা যে তাহাৰ॥ ৮৭
নানাবিধ আকৃতিৰ পত্ৰ শোভাময়।
ভকতৰ প্ৰীতি শ্ৰদ্ধা অঙ্কুশ ফুলয়॥
পূৰ্ণানন্দ আত্মা প্ৰীতি ভক্তি জীৱ দুই।
ব্ৰহ্মাক উপাস্য কৰে ঐকান্তিক হুই॥ ৮৮
মৎস্য কূৰ্ম্ম আদি অংশ অৱতাৰ যত।
সৃষ্টি লীলা কাৰণত ধৰো স্বৰূপত॥
মোৰ নিজ শুদ্ধ ধৰ্ম্ম ভক্তি যশ সাৰ।
শান্ত মূৰ্ত্তি ধৰি মই কৰিবো প্ৰচাৰ॥ ৮৯

কলিত বৈষ্ণৱ মূৰ্ত্তি যতেক ধৰিবো।
তোমাৰ আগত এবে সমস্তে কহিবো॥
পালক বিষ্ণুৰ শক্তি সন্তৰূপ ধৰি।
হৈবেক চৈতন্য নামে জানা নিষ্ঠ কৰি॥ ৯০
যুগ ধৰ্ম্ম প্ৰবৰ্ত্তাবো কৰ্ম্মী ভক্ত চয়।
ষোল নাম জপিবেক জানিবা নিশ্চয়॥
জলসাইত হন্তে গৈয়া ৰমানন্দ নাম।
জ্ঞান যোগে প্ৰবৰ্ত্তাবা শুন বিধি ৰাম॥ ৯১
জপিবেক ব্ৰাহ্ম নাম আনন্দে মজিব।
প্ৰচাৰিব ধৰ্ম্ম চয় লোক প্ৰবৰ্ত্তিব॥
হৰি অংশে হৈবে গৈয়া বৃন্দাবন দাস।
অচলা ভক্তিক তেন্তে কৰিব প্ৰকাশ॥ ৯২
অষ্ট নাম জপিবেক কহিলো নিশ্চয়।
ধৰ্ম্ম প্ৰবৰ্ত্তাব ব্ৰহ্মা জানিবা নিশ্চয়॥
সূৰ্য্যৰ লগত যিটো থাকে নাৰায়ণ।
সেহি অংশ হৈব জানা ৰূপ সনাতন॥ ৯৩
দশ নাম জপিবেক ভক্তি যোগ হয়।
লোকক কহিবে ব্ৰহ্মা শুনা মহাশয়॥
যিটো স্থূল ৰূপ মোৰ বিৰাটক কয়।
তান অংশে হৈব জানা কৰিয়া নিশ্চয়॥ ৯৪
এক নাম জপিবেক বিৰল স্বভাৱ।
কেৱলাত প্ৰৱৰ্ত্তিব কৈলো তযু ঠাৱ॥
তযু অংশে হৈবে গৈয়া নিত্যানন্দ নাম।
গৃহাশ্ৰম ধৰ্ম্ম ধৰি কৰিবো বিশ্ৰাম॥ ৯৫

দান পুণ্য অতিথিত শুশ্রূষা কৰিব।
সেহি ধৰ্ম্ম প্ৰবৰ্ত্তিব লোকতো কহিব॥
শুনিয়োক ব্ৰহ্মা কহো স্বৰূপ বচন।
মোৰ নিজ প্ৰেম ভক্তি শ্ৰৱণ কীৰ্ত্তন॥ ৯৬
পূৰ্ব্বত আছিল ভক্তি গুপ্ত চাৰি নাম।
ভাগৱত নানাবিধ গ্ৰন্থ অনুপাম॥
আৰু প্ৰচাৰিবে লাগি নিজ অৱতাৰ।
ভকতৰ গুৰু ৰূপে হৈবো অৱতাৰ॥ ৯৭
নিজ যশ প্ৰচাৰিবো নানা বিধ কৰি।
ঘট পট ভাঙ্গিবোহোঁ কুজ্ঞান সংহৰি॥
শুনিয়া ব্ৰহ্মাৰ মনে মিলিল সংশয়।
ইটো অৱতাৰ প্ৰভু কহিয়ো নিশ্চয়॥ ৯৮
মাধৱ বদতি তুমি শুনা সৃষ্টিকৰ।
ইটো অৱতাৰ কথা শুনা বিধিবৰ॥
ছদ্ম ৰূপ ধৰি শূদ্ৰ কুলে হৈবো জাত।
হৈবোঁহো শঙ্কৰ নামে জগতে প্ৰখ্যাত॥ ৯৯
দ্ৰোণেসে কুসুম্ব ধীৰা সত্য সন্ধ্যা হয়।
তাহান ঘৰত মই জন্মিবো নিশ্চয়॥
মোৰ যিটো অংশ হলিৰাম নামধৰ।
মাধৱ স্বৰূপে হৈবে শুনা বিধিবৰ॥ ১০০
নিজ ভক্তি ধৰ্ম্ম যত প্ৰকাশ কৰিবো।
জ্ঞান দানে সমস্তৰে মনক পূৰিবো॥
শুনা বিধি তুমি আদি বৈষ্ণৱ বাঢ়য়।
সনকাদি পাৰিষদ নিজ ভক্ত চয়॥ ১০১

শুক সংখ্যায়ণ আদি ভক্ত ঋষি যত।
তাহাতে জন্মিবে গৈয়া কৈলো স্বৰূপত॥
মুচকুন্দ অম্বৰীষ যুধিষ্ঠিৰ ৰায়।
তাহাতে জন্মিবে গৈয়া জানা সমুদায়॥ ১০২
যদুবংশ যত আছে সন্ত ৰূপ ধৰি।
তহিতে জন্মিবে গৈয়া জানা নিষ্ট কৰি॥
ৰুক্মিণী ৰেৱতী আদি যত শিষ্যাগণ।
তহিতে জন্মিব গৈয়া স্বৰূপ বচন॥ ১০৩
গোপ গোপী গৈয়া ভকতৰ বেশ ধৰি।
তহিতে জন্মিবে গৈয়া জানা নিষ্ঠ কৰি॥
সবে গোপৰূপ জানা হৈবে অতিশয়।
কেৱল ভকতি দান কৰিবে নিশ্চয়॥ ১০৪
তোৰা সবে মহানন্দে ভক্তিক লভিবা।
উপদেশী গুৰু হুয়া লোক নিস্তাৰিবা॥
মহাধৰ্ম্ম নিজ ভক্তি প্ৰকাশ কৰিবা।
বহু ভাৱে গাই ছন্দে গীতক ৰচিবা॥ ১০৫
তাক নানা ভাৱে গাই লোক যে তৰিব।
ভাগৱত মহাধৰ্ম্ম সংসাৰে ৰহিব॥
মোক নমানিবে ব্ৰহ্ম উপাসক চয়।
শূদ্ৰ বুলি অহঙ্কাৰ কৰিব নিশ্চয়॥ ১০৬
শ্ৰৱণ কীৰ্ত্তন মোৰ ধৰ্ম্মক নিন্দয়।
বৈষ্ণৱক নিন্দি ঘোৰ নৰকে চলয়॥
শুনিয়া বিধিৰ ঘোৰ মিলিল সংশয়।
কি কাৰণে শূদ্ৰকুলে জন্মিবে লাগয়॥ ১০৭

কিবা হেতু মহেশ্বৰ নামক ধৰিয়ো।
সংশয় ছেদিয়া প্ৰভু মোৰ আগে কৈয়ো॥
কহিলন্ত নাৰায়ণে পূৰ্ব্বৰ কথাক।
হৰে প্ৰাৰ্থিলন্ত তাৰ নাম ধৰিবাক॥ ১০৮
আগম কৰিয়া মোক ঢাকিলন্ত হৰে।
সিজিলন্ত আমোচন পাপ নিৰন্তৰে॥
কৰিলন্ত স্তুতি হৰে বহু বাৰম্বাৰ।
ভৈলো মই স্তুতিত সন্তুষ্ট তাসম্বাৰ॥ ১০৯
পৰম সন্তোষ ভৈলো হৰৰ স্তুতিত।
তযু নাম ধৰিবোহো কলিৰ যুগত॥
সেহি হেতু শঙ্কৰৰ নামক ধৰিবো।
তযু আগে ব্ৰহ্মা মই নিষ্ঠ কৰি কৈলো॥ ১১০
আমোচন পাপ এৰাই হৈয়ো ব্ৰহ্মময়।
ভকতৰ আগ শ্ৰেষ্ঠ হৈবোহো নিশ্চয়॥
ব্ৰাহ্মণ দৈবজ্ঞ ক্ষত্ৰ বৈশ্য চাৰি জাতি।
সুশুনিব আমাৰ কথাক কাণ পাতি॥ ১১১
শূদ্ৰ সবে ধৰিবেক বেদ ধৰ্ম্ম নীতি।
আচৰিব নব বিধ আমাৰ ভকতি॥
তাতেসে হৈবোহো মই শূদ্ৰকুলে জাত।
পৰম ৰহস্য কথা কহিলো তোমাত॥ ১১২
মোৰ কিবা কুল কৈত আছে সৃষ্টিকৰ।
মৎস্য কূৰ্ম্ম শুকৰাদি ধৰো কলেবৰ॥
শুনিয়া ব্ৰহ্মাৰ মনে গুচিল সংশয়।
কেন মতে প্ৰবৰ্ত্তিবো তযু বাক্যচয়॥ ১১৩

মাধৱ বদতি শুনিয়োক সৃষ্টিকৰ।
মোৰ নিজ ধৰ্ম্ম সিটো ধৰ্ম্ম অগোচৰ॥
মোত হন্তে তিনি বিধ ধৰ্ম্ম প্ৰবৰ্ত্তিব।
নিজ যশ কীৰ্ত্তনকো মোহোত অৰ্পিব॥ ১১৪
মোৰ কীৰ্ত্তি নানা ভাৱে শ্ৰৱণ কৰিব।
সমস্তৰে সমভাৱে ধৰ্ম্মক কৰিব॥
শিষ্যত কহিব জ্ঞান অকপট কৰি।
শৰণ ভজন ভক্তি ভাৱক নচাৰি॥ ১১৫
মোৰ মূৰ্ত্তি ভাগৱত আগত চিয়াই।
উপদেশ দিব সিটো জানিবা নিশ্চয়॥
উপদেশ দাতা গুৰু সেই গুৰুময়।
শিষ্য সমন্বিতে দিবো বৈকুণ্ঠ নিলয়॥ ১১৬
কতো জনে আপোনাক ব্ৰহ্ম বুলি কয়
মদনে মথনে মাত্ৰ মোক নেদেখয়॥
মৰ্য্যাদাকো এৰিবেক সমস্ত ত্যজিব।
আপুনিসে কৃত্য কৰি তাক প্ৰবৰ্ত্তিব॥ ১১৭
কেৱলে ভৈলোহো মই মহা পুৰুষৰ।
দেৱতাৰ দেৱ গুৰু সবে জগতৰ॥
মহাপুৰুষৰ নামে কৰিয়া মহত্ব।
গুৰু দেৱ বোলাইবেক অত্যন্ত গৰ্ব্বত॥ ১১৮
মোকে মহাগুৰু বুলি মানিবে মনত।
বেদ শাস্ত্ৰ নিন্দিবেক পৰম গৰ্ব্বত॥
শৰণ লোৱন্ত আপোনাক গুৰু মানি।
ভকতিক শিকাৱন্ত শিষ্যত আপুনি॥ ১১৯

সি সবৰ উপদেশ মাত্ৰ অকাৰণ।
নোহে ভক্তি ভাগী সিটো নাহিকে কল্যাণ॥
কতো জনে শূদ্ৰ বুলি মোক নমানিব।
মোৰ নাম ধৰ্ম্ম বুলি লোকত নকইব॥ ১২০
আপুনি হে ভৈলো মই শ্ৰেষ্ঠ দ্বিজবৰ।
সৰ্ব্বজন কৈবে মোত নুহিকে শঙ্কৰ॥
শৰণ দিওঁতে আপোনাৰ মুৰ্ত্তি ধৰি।
শিষ্যত দেখাইবে জ্ঞান বাক্য চাটুকৰি॥ ১২১
মোহোৰ যে গীত কবিতাক নমানিব।
আপুনি স্বতন্ত্ৰ কৰি কীৰ্ত্তন কৰিব॥
লোকে যদি কহে শঙ্কৰৰ ধৰ্ম্ম বুলি।
ছেদ কৰিবাক খোজে তাহাঙ্ক সমূলি॥ ১২২
প্ৰতিমাত কাম্যকৰ্ম্ম যোগে প্ৰবৰ্ত্তিব।
ভকতিৰ ভাগী নোহে মুকুতি পাইব॥
ভাগৱত ভক্ত বুলি লোকত কহিব।
দেৱতীৰ্থ শ্ৰেষ্ঠ কৰি ভ্ৰমিয়া ফুৰিব॥ ১২৩
কত হন্তে গতি হইবে মানিয়া মনত।
আপোনাক হৰি বোলাই থাকিবে গৰ্ব্বত॥
শিষ্যত কৰিবে ভকতিৰ উপদেশ।
শিষ্যেও ভজিবে শূদ্ৰ দেৱতা নিশেষ॥ ১২৪
মিহলি ভক্তিক কৰি গাত কষ্ট নাই।
আকুল ভৈলেক যেন ধৰ্ম্ম হেৰুৱাই॥
মহা মদগৰ্ব্বে গুৰু গোসাঁঞি নমানিব।
উচ্চাসনে বহি সবে ধৰ্ম্ম বখানিব॥ ১২৫

কতোৱে বা মোক্ষ পাৱে কতো নপাৱয়।
এহিমানে কৈলো ব্রহ্ম ধৰ্ম্মৰ বিষয়॥
কহিলোহো বিধি ময় কৰিয়া শাশ্বত।
তিনিয়ো পথৰ লোকে নিন্দিবে গৰ্ব্বত॥ ১২৬
অধোগতি যাইব ভেদাভেদ কৰি মন।
নৰকে পৰিবে তুনাই পুনৰাগমন॥
মাধৱ বদতি কৈলো স্বৰূপ বচন।
মোৰ ভক্ত হুয়া ভজি আন দেৱগণ॥ ১২৭
প্রণাম কৰিয়া যিটো নৈবেদ্য ভোজন।
পঞ্চম পাতকী হুয়া নৰকে পতন॥
বিপদৰ হেতু ভৈল জানিবা নিশ্চয়।
আত্মাক নিগ্রহে তাৰ ৰক্ষণ নোহয়॥ ১২৮
মোহোৰ দ্রোহীয়া সিটো জানিবা নিশ্চয়।
নীচ যোনী প্রাপ্ত হুয়া নৰক ভুঞ্জয়॥
অন্য দেৱ ত্যজে যিটো অশাশ্বত মানি।
মোহোক ভজয় সেহিজন মহামানী॥ ১২৯
তাকেসে পৰম বন্ধু জানিবা নিশ্চয়।
মোৰ প্রিয়তম সিটো অৱশ্যে বোলয়॥
ইসব কথাক উপসংহৰিয়া থওঁ।
বিপৰীত ভবিষ্যত কথা শুনা কওঁ॥ ১৩০
মাধৱ বদতি শুনিয়োক সৃষ্টিকৰ।
যিটো কলিযুগ মই কহোঁ আতপৰ॥
অন্য ধৰ্ম্ম সবে বৰ্জ্জিত হৈবন্ত।
মোৰ নিজ ভক্তি কীৰ্ত্তি বৈব সংসাৰত॥ ১৩১

সমস্তৰে জাতি কুল ব্যবহাৰগণ।
অন্য ধৰ্ম্ম কৰ্ম্মে নাই তাহাৰ তাৰণ॥
দেৱৰ প্ৰতিমা গঙ্গা আদি তীৰ্থ যত।
মাহাত্ম্য টুটিবে ঘোৰ কলিৰ যুগত॥ ১৩২
সংকল্পত ভাৱ আশা কৰিয়া মনত।
পূজিবেক দেৱদেবী মানিয়া শাশ্বত॥
সেই সবে আশা পুৰিবাক নপাৰয়।
কলিৰ বলত সবে নিৰ্জ্জীব আছয়॥ ১৩৩
শুনা বিধি কহিলোহো স্বৰূপ বচন।
শিষ্য সবে নমানিবে ইষ্ট গুৰু জন॥
গুৰুৱে শিষ্যক শুদ্ধ ভাৱ নেদেখিব।
চাটু নাটু কৰি বহু দ্ৰব্যক খুজিব॥ ১৩৪
অজ্ঞানীয়ে নমানিবে বিশিষ্ট জনক।
বেদে লাগ নলইবেক উত্তম বিপ্ৰক॥
কলিযুগে ভজি স্বৰ্গ সুখক নপাই।
ধন জন বিভূতিৰ ভোগকেই চাই॥ ১৩৫
বেদ জ্ঞান হীন বিপ্ৰ মন্ত্ৰহীন হুইব।
পৰ অৰ্থে ক্ৰিয়া কৰি দ্ৰব্যক ভুঞ্জিব॥
ছাগৰ শুকৰ সম হৈবেক দুৰ্জ্জন।
অজাতিৰ প্ৰতি সদা কৰিবেক মন॥ ১৩৬
শুনিয়োক ব্ৰহ্মা লোভ মোহ ৰিপু যত।
অকালত দেৱ দেৱী পূজিবেক যত॥
তথাপি পূজন্তে সিটো নুহুইব প্ৰসন্ন।
শাপ দিয়া নষ্ট কৰে সব দেৱগণ॥ ১৩৭

পশুক ছেদিয়া দেৱতাৰ পূজা ধৰে।
অনেক ঐশ্বর্য্য আয়ুকেসে বাঞ্ছা কৰে॥
স্বর্গ সুখ ভুঞ্জিবোহোঁ পৰলোকে গই।
তথাপি নৰকে পৰে কহিলো নিশ্চয়॥ ১৩৮
ঘৰে ঘৰে সাধু সবে ধৰ্ম্ম বখানিব।
অশুচি দ্রব্যক প্ৰতি গ্ৰহণ কৰিব॥
সত্যগুণ এৰিবেক সদাচাৰ হত।
ৰজঃ সত্ব তমঃ হুইব ৰাজচিহ্ন যত॥ ১৩৯
মন্ত্রীৰ অধীন হুইব যত ৰাজচয়।
কুমন্ত্রীৰ বাক্য ধৰিবেক দুৰাশয়॥
প্ৰজা হিংসি আগ্ৰহিয়া ধনক লৈবেক।
দণ্ডভেদ নজানিয়া অন্যে দণ্ডিবেক॥ ১৪০
অসাধুৰ বংশে হুইব সাধুৰ উৎপন্ন।
ৰাজবংশী নুহি হুইব ৰাজাৰ লক্ষণ॥
অল্প আয়ু অল্প বিদ্যা হৈব প্ৰাণীগণ।
ব্যাধিয়ে পীড়িত হৈব কুমতি লক্ষণ॥ ১৪১
অপাত্রে হৈবেক পাত্ৰ দুৰ্জ্জনে সজ্জন।
অমন্ত্রীয়ে মন্ত্রী হৈব কহিলো বচন॥
ধনতেসে আশা হৈব বিবাদত মন।
ভাৰ্য্যাক মানিবে বন্ধু মৈথুন তোষণ॥ ১৪২
ভাৰ্য্যা নমানিবে অতি সুবুদ্ধি স্বামীক।
শান্তি ধৰ্ম্ম নষ্ট ভজে অপাত্ৰ পতিক॥
কনিষ্ঠে জ্যেষ্ঠক নিন্দে মূৰ্খ হেন বুলি।
পুত্ৰে নমানিবে পিতৃ জানিবা সমূলি॥ ১৪৩

ছৱালে নমানে বৃদ্ধ বুদ্ধিত মহত।
ভাৰ্য্যাৰ অধীন হুইব সমস্ত জগত॥
উত্তম কুলত হৈব মূৰ্খৰ আবাস।
অজাতিত সৰস্বতী কৰিব নিবাস॥ ১৪৪
বত্রিশ লক্ষণ যিটো পূৰ্ণ কলেৱৰ।
পৰম দৰিদ্র হৈব শুনা বিধিবৰ॥
অতি স্বতন্তৰে যিটো পৰস্ত্রী ৰময়।
সেহিসে ঐশ্বৰ্য্যশালী কহিলো নিশ্চয়॥ ১৪৫
অসতী দীৰ্ঘায়ু সতী অল্পতে নিৰ্য্যাণ।
পণ্ডিতৰ মান ছন্ন মূৰ্খৰ সম্মান॥
দাতাৱন্ত যিটো জন দৰিদ্র হৈবন্ত।
পৰম অদাতা যিটো সেহি ধনৱন্ত॥ ১৪৬
ঐশ্বৰ্য বিভূতি যাৰ নাথাকয় আতি।
সেহিসে অসাধু হৈব সেহি অসঞ্জাতি॥
শাস্ত্রক নজানি বহু বকিয়া ফুৰয়।
তাহাঙ্কো পণ্ডিত মানিবেক দুৰাশয়॥ ১৪৭
অনুচিতে অন্যায়ৰ ধন পাইলে ৰঙ্গ।
ধনকে নপাইলে কৰে বিপৰীত খঙ্গ॥
মেঘে জল দান কৰে গিৰি গহ্বৰত।
শয্যাৰ ওপৰে বৃষ্টি নহয় নিশাক॥ ১৪৮
সংসাৰৰ কামধেনু ধৰণী মণ্ডল।
শস্য সব হৰিবেক প্ৰাণীৰ বিকল॥
অল্প ফল হৈবে ক্ষুদ্র হৈবে বৃক্ষগণ॥
গ্ৰীষ্মত বাৰিষা হৈবে বাৰিষাত আন॥ ১৪৯

যিটো দুষ্ট জন হৈবে মহাবলৱন্ত।
সেহিজন কুলৱন্ত সেহি ধনৱন্ত॥
জ্ঞানীৰ অপমান হব মূৰ্খৰ সম্মান।
নিতান্ত মূৰুখ জনা বুজাইবে প্ৰধান॥ ১৫০
অল্পকায় হৈব ছাগ সব ধেনুগণ।
কুমাৰী কালত হৈব যুৱতী লক্ষণ॥
সুহৃদেও এৰিবেক যত প্ৰাণীগণ।
কপট হৃদয় হৈব কুবাক্য বচন॥ ১৫১
সত্যক এৰিয়া অসত্যত প্ৰবৰ্ত্তিব।
নিজ গুৰু এৰি আন গুৰুক ভজিব॥
পৰ দ্ৰব্যে আশ হুইব লোভী যে হৈবন্ত।
সত্য, শৌচ, নাহিকয় অসাধু সেবন্ত॥ ১৫২
গৃহাশ্ৰমী এৰিবেক গৃহ ধৰ্ম্ম চয়।
যোগী সন্ন্যাসীয়ো হুইব গৃহস্থৰ নয়॥
অনাবৃষ্টি দুৰ্ভিক্ষতে প্ৰজা হব ক্ষয়।
অন্নৰ বিকলে হুইব বাতুলৰ নয়॥ ১৫৩
ভাই ভাই পিতা পুত্ৰে কন্দল কৰিব।
পৰস্ত্ৰী ধন অৰ্থে স্বধৰ্ম্ম এড়িব॥
অল্প বিদ্যা আৰ্জি বহু বকিয়া ফুৰিব।
অল্প ধন হৈব মহন্তক নমানিব॥ ১৫৪
অল্প আয়ু অল্প তেজ তাকে কৰি আশ।
মই কাল ৰূপে কৰো একতিলে নাশ॥
মোৰ যশ কীৰ্ত্তন শুনিয়ো নুশুনিব।
কুকথা শুনিলে বহু আদৰ কৰিব॥ ১৫৫

বৈষ্ণৱক নিন্দি বহু উলঙ্ঘা কৰিব।
মোহক নভজি ক্ষুদ্ৰ দেৱক ভজিব॥
সমীপত গুৰুক দেখিব অজ্ঞজন।
তীৰ্থ সে সেবিব গৈয়া কৰিয়া গমন॥ ১৫৬
আকুল হৈবেক ব্ৰহ্ম মোক অনাদৰে।
আপদ উদ্ধাৰ দেৱ ভজে নিৰন্তৰে॥
পিতা পুত্ৰে ভাই ভাই বঞ্চিত কৰিব।
ভাৰ্য্যা, স্বামী ইষ্ট মিত্ৰে দ্ৰব্য আগ্ৰহিব। ১৫৭
অল্প দ্ৰব্য হৈবো থব গুপুত কৰিয়া।
তাহাতে মোহিত হৈব বিশ্বাস কৰিয়া॥
শুনিয়া ব্ৰহ্মাৰ মনে মিলিল সংশয়।
কিয় কলিযুগে হেন বিপৰীত হয়॥ ১৫৮
শুনিয়োক সৃষ্টিকৰ কহিলো তোমাত।
বুদ্ধ অৱতাৰ হৈবো কলিৰ যুগত॥
বেদ পথ ছন্ন কৰিবোহো ধৰ্ম্মচয়।
বেদ বাদীগণে বামানয় প্ৰবৰ্ত্তয়॥ ১৫৯
বামানয় প্ৰবৰ্ত্তিব বৌদ্ধগণ যত।
সবাকো কৰিবো কল্কি অৱতাৰে হত॥
মোৰ নিজ প্ৰিয় যত আছে ভক্তগণ।
মোহোৰ কৰিব নিতে শ্ৰবণ কীৰ্ত্তন॥ ১৬০
গুৰু মানি শিক্ষা বোধ কৰিবে গ্ৰহণ।
সৰ্ব্বদাই মোক মাত্ৰ কৰিব স্মৰণ॥
এহি হেতু কলিযুগে শ্ৰেষ্ঠতৰ হয়।
শ্ৰৱণ কীৰ্ত্তন কৰি বৈকুণ্ঠে চলয়॥ ১৬১

BALIKA VIDYAPITH
Estd. 1963
Date.........
P.O. NOWGONG

সমস্তে ধৰ্ম্মৰ কলি ভাঙ্গিলে চৰণ।
মোহোৰ নামত লৈব সমস্তে শৰণ॥
বিপৰীত কলি পাপী সিটো প্ৰাণীগণ।
পৰিয়া নভজে যিটো মোহোৰ চৰণ॥ ১৬২
তাহাৰ সদগতি নাই শুনা সৃষ্টিকৰ।
কহিলো সমস্ত কথা ৰহস্য শাস্ত্ৰৰ॥
ইসব কথাক মই এহি মানে থওঁ।
শঙ্কৰ দেৱৰ কথা কিছুমান কওঁ॥ ১৬৩
ভক্তৰ হৃদয় তুমি শান্ত মূৰ্ত্তি ধৰি।
নিজ ভক্ত প্ৰকাশাহা তুমি সে মুৰাৰি॥
তুমি মোৰ নিজ গুৰু প্ৰিয়তম হৰি।
দৈৱকী নন্দন মই ভজো নিষ্ঠ কৰি॥ ১৬৪
ৰাম কৃষ্ণ নাম মোৰ অমূল্য ৰতন।
একান্ত ভক্তৰ প্ৰীতি হৌক সৰ্ব্বক্ষণ॥
শঙ্কৰক শূদ্ৰ বুলি পণ্ডিতে নিন্দই।
কেন মতে হৰি অংশ বুলি নমানই॥ ১৬৫
মৎস্য কুৰ্ম্ম শূকৰাদি পশু অৱতাৰ।
কিমতে পণ্ডিতে সেৱে দুষ্ট দুৰাচাৰ॥
স্বৰ্গখণ্ড ৰহস্যত সঞ্জাত নোযোৱা।
বশিষ্ঠ সংহিতা সুত সংহিতাত চোৱাঁ॥ ১৬৬
অগস্ত্য সংহিতা পঞ্চ ৰূদ্ৰ যামলত।
বিষ্ণু ধৰ্ম্মোত্তৰ কৃত্য যুগ বিচাৰত॥
যোগিনী তন্ত্ৰত ইতিহাস ভৱিষ্যত।
হৰ-গৌৰী সংবাদত শিৱে নাৰদত॥ ১৬৭

ইসবত বিচাৰিয়া যত্তপি নাপায়।
পণ্ডিতে নিন্দিব তেবে বুজো মুনিষাই॥
সাৰ্ব্বভৌম ভট্টাচাৰ্য্য জ্যোতিষত সাৰ।
দেবী উপাসক আছিলো দুৰাচাৰ॥ ১৬৮
শঙ্কৰৰ সঙ্গে বহু বাদক কৰিলো।
বাদ ভঙ্গ হুয়া শাস্ত্ৰ পঢ়িবাক গৈলো॥
কাশী দেশে বিপ্ৰশ্ৰেষ্ঠ চক্ৰবৰ্ত্তী নাম।
চাৰি বেদ পঢ়িলোহোঁ তৈতে অনুপাম॥ ১৬৯
পঞ্চবৰ্ষ তৈতে বেদশাস্ত্ৰক পঢ়িলো।
অনেক শাস্ত্ৰক শিকি জ্ঞানক লভিলো॥
স্বৰ্গখণ্ড ৰহস্যক তহিতে জানিলো।
হৰিক ভজিবে লাগি মন থিৰ কৈলো॥ ১৭০
একদিন গুৰু মোত কৰিয়া শাশ্বত।
কহিলন্ত গোপ্য কথা জানিলো মনত॥
পূৰ্ব্বদিশে নিজ শক্তি হৰি অৱতাৰ।
নিজ যশ ধৰ্ম্ম কীৰ্ত্তি ভকতি প্ৰচাৰ॥ ১৭১
নামত শঙ্কৰ হৈবে শূদ্ৰ কুলে জাত।
ব্ৰহ্মা হৰ আদি দেৱ জন্মিবে তথাত॥
লোকৰ কাৰণ হেতু শান্ত মূৰ্ত্তি ধৰ।
তাহান চৰণে কৰ শত নমস্কাৰ॥ ১৭২
কিবা মই অজ্ঞান ভৈলোহো অকাৰ্য্যত।
তযু সেৱা চোৰ ভৈলো মানবী জন্মত॥
তোমাৰ দাসৰো দাস মুখে তযু নাম।
এহিমানে মাগো প্ৰভো চৰণত কাম॥ ১৭৩

# শঙ্কৰদেৱৰ চৰিত্ৰ

## পদ

সাৰ্ব্বভৌম মোত আৰে প্ৰণাম কৰিবা।
পাছে তুমি ভক্তি ভাৱে নামক ধৰিবা॥
তৰ্কভানু বিদ্যাপতি ভট্টাচাৰ্য্য বৰ।
ৰাঘব আচাৰ্য্য বিভূষণ যে ভূষৰ॥ ১৭৪
কবিৰত্ন বিদ্যাৰত্ন উমা বাসুদেব।
সৰস্বতী শ্ৰীকান্ত গজেন্দ্ৰ মহাদেব॥
ৰামচন্দ্ৰ কৃষ্ণদত্ত বিষ্ণু নাৰায়ণ।
গোপাল জৈমিনী দেৱ দেৱ জনাৰ্দ্দন॥ ১৭৫
তাৰা সবে আপোন কুশল চিন্তা কৰি।
শঙ্কৰক গুৰু মানি ভজিলন্ত হৰি॥
সূৰ্য্যবিপ্ৰ কালিদাস ভানু হৰিহৰ।
চতুৰৰ চূড়ামণি জ্ঞানী ৰত্নেশ্বৰ॥ ১৭৬
জ্যোতিষ প্ৰধান শিৱ কাম নৰোত্তম।
চন্দ্ৰধৰ সূৰ্য্যধৰ সূৰ্য্যশৰ্ম্মা নাম॥
মূঢ় ৰজা ৰত্নখৰি বিজয়খৰি নাম।
ধৰ্ম্মখৰি বজ্ৰখৰি মহীৰ শ্ৰীৰাম॥ ১৭৭

শ্ৰীগুৰু গণেশ যে শিৱশৰ্ম্মা নাম।
উদিত উদয় খৰি দিবাকৰ নাম॥
সৰ্ব্বকালে গ্ৰহ উপাসক সৰ্ব্বজন।
শঙ্কৰক গুৰু মানি লৈলন্ত শৰণ॥ ১৭৮
ক্ষত্ৰিয়ৰ মহাৰাজ ৰূপ সনাতন।
শঙ্কৰকে গুৰু মানি লৈলেক শৰণ॥
বাৰানসী হন্তে আইল মহাভাগৱত।
প্ৰকাশিবে আপোনাৰ যশ ধৰ্ম্ম যত॥ ১৬৯
স্থবৰ্ণ গৌৰাঙ্গ শুক্ল বৰ্ণ মহাকায়।
পৰম লাৱণ্য মূৰ্ত্তি অধিকে শোভয়॥
ছত্ৰাকৃতি মাথা আকুঞ্চিত কেশচয়।
সুসম কপোল ৰত্ন তিলক শোভয়॥ ১৮০
চাৰু কৰ্ণে সুশোভিত নাসা তিলফুল।
দশন মুকুতা পান্তি অধৰ ৰাতুল॥
পূৰ্ণচন্দ্ৰ সম মুখ সিংহ বন্ধ স্কন্ধ।
বহল হৃদয় সূক উত্তৰী প্ৰবন্ধ॥ ১৮১
আকস্মিতে দেখি যেন বাহু চাৰিখান।
চাৰি অস্ত্ৰ শোভে হন্তে দেখি বিতোপন॥
উদৰত তিনি ৰেখা শোভে বিদ্যমান।
পূৰ্ণ ছুগ্ধ সম আতি দেখিতে শোভন॥ ১৮২
হৰৰ ডম্বৰু যেন কোটি শোভাময়।
উৰু ৰাম কল যেন অধিকে জ্বলয়॥
ভকত জনৰ নিজ বাঞ্ছিত পূৰণ।
গহীন গম্ভীৰ যেন সাগৰ বচন॥ ১৮৩

সকল সমান যেন অধিক বিৰাজে।
যেন দিগ বিজয়ক কামদেৱ সাজে॥
এমত লক্ষণ যাৰ দেখিবা প্ৰকাশ।
যাক দৰশনে পাপ সকল বিনাশ॥ ১৮৪
জগন্নাথ স্বপ্ন দেখি নিদ্ৰাৰ জাগিল।
শঙ্কৰ শঙ্কৰ বুলি প্ৰণাম কৰিল॥
জগদীশে স্বপ্ন দেখি পাণ্ডাত কহিল।
ভাগৱত লৈয়া পূৰ্ব্ব দিশক লৰিল॥ ১৮৫
কতো দিনে আসি শঙ্কৰক লাগ পাই।
জগন্নাথে স্বপ্ন কৈলা শঙ্কৰৰ ঠাই॥
যতেক কৰিলা ৰূপ সব দেখিলন্ত।
ভাগৱত দিয়া তাত শৰণ লৈলন্ত॥ ১৮৬
শঙ্কৰে কহিলা তান পূৰ্ব্ব গুণগ্ৰাম।
ইটো বিপ্ৰ আছিলন্ত মনেশ্বৰ নাম॥
বহুত বছৰ পূজা আমাক কৰিল।
পূজাৰ কাৰ্য্যত অল্প ছিদ্ৰ আচৰিল॥ ১৮৭
তাহাতে জন্মিলে বেদনিধি বিপ্ৰ হুই।
ইটো জন্ম গতি পাইব কহিলো নিশ্চয়॥
মহা শান্তশীল সন্ত বিষ্ণুপুৰ নাম।
ব্ৰহ্মানন্দ আগে কৈলা পূৰ্ব্ব গুণগ্ৰাম॥ ১৮৮
শঙ্কৰ স্বৰূপে হৰি হৈব অৱতাৰ।
তাঙ্ক লাগি দিবা ৰত্নাৱলী গ্ৰন্থসাৰ॥
ইটো বাৰ স্কন্ধ ভাগৱতৰ তলত।
থৈবা ৰত্নাৱলী গ্ৰন্থ জানিবাহা তত্ত্ব॥ ১৮৯

যৈসানি প্ৰচাৰ হোৱে ইটো গ্ৰন্থসাৰ।
তৈসানি হৈবন্ত হৰি সন্ত অৱতাৰ॥
মাহোৰ প্ৰণাম চাৰি শ্লোক দি পঠাইবা।
তুমিয়ো তাহাঙ্ক ভক্তি কৰিয়া ভজিবা॥ ১৯০
তেসম্বো বিপ্ৰত কহি দিয়া পঠাইলন্ত।
শঙ্কৰৰ আগে তেহোঁ সেৱা জনাইলন্ত॥
বৃন্দাবন নামে এক মহন্ত আছিল।
শঙ্কৰৰ লাগ পাই তেহন্তে ভজিল॥ ১৯১
ৰমাকান্ত নামে শিষ্য মথুৰাপুৰত।
শঙ্কৰক গুৰু মানি শৰণ লৈলন্ত॥
ৰাধা নামে এক সন্ত আছিল গোকুলে।
শঙ্কৰক গুৰু মানি সিয়ো ভক্ত ভৈলে॥ ১৯২
সন্ন্যাসী ত্ৰিজটা নামে ব্ৰজত আছিল।
শঙ্কৰক গুৰু মানি হৰিক ভজিল॥
গোপীনাথ নামে সন্ত পুষ্কৰ তীৰ্থত।
সিজনেও শঙ্কৰক গুৰু মানিলন্ত॥ ১৯৩
জগন্নাথ পাণ্ডাসুত বিষ্ণুদত্ত নাম।
ৰমানন্দ হৰিদাস জৈমিণী শ্ৰীৰাম॥
কৃষ্ণ যদুনাথ কাম এহি দশ জন।
শঙ্কৰক গুৰু মানি লৈলন্ত শৰণ॥ ১৯৪
ৰামৰূপে শুক্লধ্বজ নৃপতি প্ৰধান।
ইসবেও শঙ্কৰক লৈলন্ত শৰণ॥
হৰি বুদ্ধি কৰিলন্ত নৰনাৰায়ণ।
শঙ্কৰক গুৰু মানি লৈলন্ত শৰণ॥ ১৯৫

ইসব লক্ষণ মই দেখাইলো প্ৰত্যয়।
পণ্ডিতে নিন্দিবে হেন যুগুতি নহয়॥
শঙ্কৰদেৱৰ কোনে কহিবে মহিমা।
যতেক চৰিত্ৰ লীলা কোনে পাই সীমা॥ ১৯৬
ইসব কথাক আবে এহিমানে থওঁ।
আশ্চৰ্য্য মহিমা তাৰ কিছুমান কওঁ॥
শিশুকালে ছাত্ৰ সমে শাস্ত্ৰ পঢ়িলন্ত।
মহেন্দ্ৰ কন্দলি চতুৰ্ভুজ দেখিলন্ত॥ ১৯৭
সাতো বৈকুণ্ঠৰ চিহ্ন যাত্ৰা কৰিলন্ত।
অষ্টভুজ চতুৰ্ভুজ ৰূপ ধৰিলন্ত॥
অনন্ত কন্দলি চতুৰ্ভুজ দেখিলন্ত।
চৈতন্যেও পৰম নিৰুজ দেখিলন্ত। ১৯৮
চতুৰ্ভুজ ৰূপ দামোদৰে দেখিলন্ত।
তেহ্নু ৰূপ দশ পাণ্ডা আগে ধৰিলন্ত॥
কোঢ়োলা বাঢ়ৈ মূৰ্ত্তি কৰিবাক দিলা।
কৰিব নোৱাৰি বাঢ়ৈ স্তুতিক কৰিলা॥ ১৯৯
শঙ্কৰে বোলয় বাঢ়ৈ স্নান সময়ত।
দৰশন হৈবা মোক কৈলো স্বৰূপত॥
বাঢ়ৈয়ে শুনিয়া স্নান সময়ত চাইলা।
পৰম লাৱণ্য চতুৰ্ভুজক দেখিলা॥ ২০০
তেনয় স্বৰূপ বাঢ়ৈ মূৰ্ত্তি গঢ়িলন্ত।
শঙ্কৰে দেখিয়া পাছে আনন্দ ভৈলন্ত॥
মদন গোপাল নাম মূৰ্ত্তিৰ থৈলন্ত।
শঙ্কৰৰ মূৰ্ত্তি তান সমস্তে সেৱন্ত॥ ২০১

চান্দসাই নামে এক যবন আছিল।
নানা ভাৱে শঙ্কৰক আশ্বাস কৰিল॥
একদিনা চতুৰ্ভুজ ৰূপক দেখিলা।
দুই হস্ত প্ৰসাৰিয়া শৰণে পশিলা॥ ২০২
বদৰিকাশ্ৰমত আছে উদ্ধৱ মহন্ত।
তান আগে চতুৰ্ভুজ ৰূপ ধৰিলন্ত॥
উদ্ধৱে জানিলা এহি কৃষ্ণদেৱ বুলি।
শঙ্কৰেও চাৰি হাতে ধৰি আঙ্কোৱালি॥ ২০৩
পুছিলা কুশল বাৰ্ত্তা প্ৰিয় সখি বুলি।
কহিলা ৰহস্য কথা ভকতি সমুলি॥
বৃন্দাবনে গোপপুৰ মথুৰা পুৰত।
দ্বাৰকাৰ মাজে চতুৰ্ভুজ দেখিলন্ত॥ ২০৪
ৰূপ সনাতন দেখি যায় চতুৰ্ভুজ।
হৰিবুদ্ধি মানি মনে ভৈলন্ত নিৰুজ॥
জগন্নাথ চান্দসাই দৰশন হন্তে।
চতুৰ্ভুজ ৰূপ পাছে ধৰিলা তথাতে॥ ২০৫
তাহান চৰিত্ৰ লীলা মহিমা অপাৰ।
পদ বাহুল্যৰ ডৰে নকৈলো বিস্তৰ॥
এক ৰাম ছয়বিংশ বৰিষ ভৈলন্ত।
তথাপি কিশোৰ স্বভাবক নেৰিলন্ত॥ ২০৬
পৰম গম্ভীৰ ধীৰ মাধৱ মহন্ত।
তান আগে চতুৰ্ভুজ ৰূপ ধৰিলন্ত॥
পৰম অমূল্য যিটো মহাধৰ্ম্ম চয়।
সবে ভাৰ মাধবত অৰ্পিলা নিশ্চয়॥ ২০৭

BORA BALIKA VIDYAPITH
Estd. 1965
Date............
GING. ASSAM.

শুনিও মাধৱ তুমি স্বৰূপ বচন।
পুৰুষোত্তম ধৰ্ম্ম দিব নিৰূপণ॥
তাহান কনিষ্ঠ চতুৰ্ভুজ নাম যাৰ।
সম্প্ৰদা স্বৰূপ ভক্তি কৰিবা প্ৰচাৰ॥ ২০৮
মোৰ সন্তান সন্ততি নেথাকিব পৃথিবীত।
জীয়াৰী সন্ততিয়ে ধৰ্ম্ম কৰিব বিদিত॥
শুনিও মাধৱ তুমি আমাৰ বচন।
পূৰ্ব্বদিশে আসিবে ভক্ত দুই জন॥ ২০৯
গোপাল যদুমণি দুয়ো পৰম মহন্ত।
তাহাঙ্ক দিবাহা ইটো মূৰ্ত্তি ভাগৱত॥
মহাধৰ্ম্ম কহিবাহা তাহাত নিশ্চয়।
ধৰ্ম্ম প্ৰবৰ্ত্তাইবা ইটো নাহিকে সংশয়॥ ২১০
গোপাল যে নিৰাশ্ৰমী ধৰ্ম্ম আচৰিব।
যদুমণি গৃহাশ্ৰমী ধৰ্ম্ম প্ৰবৰ্ত্তাব॥
ভবানীপুৰত যিটো গোপাল মহন্ত।
তাহাক দিবাহা ধৰ্ম্ম মহাৰত্ন সন্ত॥ ২১১
গোপালেও প্ৰবৰ্ত্তিব মহাধৰ্ম্ম চয়।
তোমাত কহিলো ময় নাহিকে সংশয়॥
পদ্ম নামে একজন পৰম মহন্ত।
তাহাতে কহিলা ইটো ভকতিৰ তত্ত্ব॥ ২১২
পৰম বৈষ্ণৱ সিটো বিপ্ৰ দামোদৰ।
উদাস মহন্ত সিটো শিষ্য শ্ৰেষ্ঠতৰ॥
পৰম দুঃখিত ভাব পূৰ্ব্বত আছিল।
পৰ অৰ্থে শ্ৰম কৰি জীবিকা কৰিল॥ ২১৩

শঙ্কৰ তাহাঙ্ক লাগি সাদৰ কৰিলা।
শাস্ত্ৰক পঢ়ায়া তাক পূজা ভাগ দিলা॥
পাটবাউসীত সত্ৰ সভা কৰিলন্ত।
আচাৰ্য্য পাতিয়া দামোদৰক থৈলন্ত॥ ২১৪
শঙ্কৰে বোলন্ত শুনা বিপ্ৰ দামোদৰ।
শৰণ কৰাহা বিপ্ৰ কৰ্ম্মী নিৰন্তৰ॥
দামোদৰে মাধৱৰ ধৰ্ম্মক থাপিল।
নিজ শক্তি প্ৰচাৰিয়া বৈকুণ্ঠক গৈল॥ ২১৫
সংসাৰ ঢাকিয়া ভক্তি হাট পাতিলন্ত।
ভক্তি ৰত্ন কিনি সবে বৈকুণ্ঠে চলন্ত॥
শুনিয়ো সজ্জন আবে স্বৰূপ বচন।
শঙ্কৰেসে আদি মূল ভক্তিৰ লক্ষণ॥ ২১৬
সমস্তে ত্যজি তান্ত কৰিও আশ্ৰয়।
তেবেসে পুৰুষ তৰিবাৰ ভাগী হয়॥
স্বৰ্গ খণ্ডে কহে কলি যুগৰ নিৰ্ণয়।
ৰাম ৰাম বুলি কৰা পাপৰ প্ৰলয়॥ ২১৭

## ছবি

স্বৰ্গ খণ্ড ৰহস্যৰ, ইটো কথা সাৰ তত্ত্ব,
হৰি কৈলা ব্ৰহ্মাৰ আগত।
বৃহৎ খণ্ডত কৈলা, বহুভাৱে ভক্তি কথা,
ৰহস্যৰ কথা সমাপত॥

সাৰোদ্ধাৰ ৰত্ন নাম, ইটো কথা অনুপাম,
ব্ৰহ্মা আগে কৈলা নাৰায়ণ।
যিটো শুনে ভক্তি ভাৱে, পৰম গতিক পাৱে,
ইটো সত্য বেদৰ বচন॥ ২১৮
সবে অহম্মম ত্যজা, হৰিৰ চৰণ ভজা,
এৰা ভাষ ভুষ আন কাম।
বেদ শাস্ত্ৰ আছে যত দেৱতীৰ্থ আদি কৰি,
সবাকো অধিক শ্ৰেষ্ঠ নাম॥
মলয়া চন্দন আদি, গৰ্দ্দভে বহয় ভাৰ,
কিছু তাৰ মূল্য নপাৱয়।
বেদশাস্ত্ৰ পঢ়ে মাত্ৰ, হৰি ভক্তি নজানয়,
সিটো গৰ্দ্দভৰ তুল্য হয়॥ ২১৯
ভবিষ্যত কথা সাৰ, নিনিন্দিবা জ্ঞান আৰ,
দেখা যদি পদত দোষণ।
মই মহা মূঢ়মতি, নভৈল ভক্তিৰ ৰতি,
ইটো বিপ্ৰ নিষ্ফল জীৱন॥
মুখতো নলৈলো নাম, গুৰুৰ সেৱাত কাম,
নকৰিলো অজ্ঞানী বৰ্ব্বৰ।
নভজিলো হৰি পদ, নৰকত লৈলো ঠাৱ,
মোত পৰে নাই মূঢ় নৰ॥ ২২০
সাৰ্ব্বভৌম ভট্টাচাৰ্য্য, নেসাধিলো একো কাৰ্য্য,
কলি যুগে নৰ তনু পাই।
মোত পৰে নাই পাপী নাহি জ্ঞান শুদ্ধমতি,
ৰাম ৰাম বুলিয়ো সদাই॥ ২২১

# ঝুমুৰি

সাৰ্ব্বভৌম নাম লৈলো। শাস্ত্ৰ গৰ্ব্বে তল গৈলো॥
শাস্ত্ৰক কৰিলো সাৰ। সিসে গৰ্ব্ব মহাভাৰ॥ ২২২
হৰিনাম মুখে নাই। শাস্ত্ৰ সিন্ধু তল গই॥
হৰি ভকতক পাই। নভজিলো মুখ চাই॥ ২২৩
মুখতো নলৈলো নাম। নকৰিলো নিজ কাম॥
কিনো মই আত্মাঘাতী। নভজিলো যদুপতি॥ ২২৪
ভাৰ্য্যা পুত্ৰ ধন জন। তহিতে আকৃষ্ট মন॥
ইন্দ্ৰিয়ৰ মোহ চয়। সদা মোৰ নুগুচয়॥ ২২৫
পৰ দ্ৰব্য পৰ ধন। তাতে মজি সৰ্ব্বক্ষণ॥
বিবাদ কলহে ৰতি। আত্ম নষ্ট কৰো আতি॥ ২২৬
পূৰ্ব্ব বাক্য হৈলা ভুল। ভৱ সিন্ধু গৈলো তল॥
তৃষ্ণাত আস্ফালয়। তৈতে মজি ৰৈলো ময়॥ ২২৭
আশ তযু ভকতৰ। নেভাঙ্গাহা গদাধৰ॥
ধৰো তযু চৰণত দিয়োক ভকতি তত্ত্ব॥ ২২৮
সৎসঙ্গ কুলৰ মধু। পিয়ায়োক জগদবন্ধু॥
মুখে ৰৌক তযু নাম। হৃদি ৰূপ অনুপাম॥ ২২৯
তযু পদ কমলত। জীৱ ৰৌক অভিমত॥
হৰি গুৰু বৈষ্ণৱত। ভক্তি হৌক মোৰ নিত্য॥ ২৩০
এহি মাগো নিতে প্ৰভু। ভকতি নুগুচে কভু॥
পাপৰ নিৰ্য্যাণ হোক। হৰি হৰি ঘূষিয়োক॥ ২৩১

# পদ

ব্ৰহ্মায়ে বোলন্ত স্তুতি কৰিয়া বিনয়।
উত্তম কীৰ্ত্তন প্ৰভু কিমতে হয়॥
ব্ৰহ্মাক সম্বোধি পাছে দেৱ নাৰায়ণ।
তোমাৰ অসাধ্য যিটো বেদৰ বচন॥ ২৩২

হৰি নাম নিজ ভকতৰ নিজ ধন।
প্ৰেমত মজিবে জপিবেক এক নাম॥
সাতে পাঞ্চে বেঢ়ি সবে একত্ৰ হোৱয়।
আনন্দতে মজি সবে কীৰ্ত্তন কৰয়॥ ২৩৩

উত্তম কীৰ্ত্তন সিটো জানিবা নিশ্চয়।
নিজ ভক্তি ভাগী হোৱে নাহিকে সংশয়॥
বহু সমাজক পাতি একত্ৰ হোৱয়।
অৰ্পণা কৰিয়া মনে সংকল্প কৰয়। ২৩৪

বহুজনো নানা ভাৱে কীৰ্ত্তন কৰয়।
যুগ ধৰ্ম্ম ভাগী হোৱে নাহিকে সংশয়॥
হাতে তাল ধৰি কৰে শ্ৰৱণ কীৰ্ত্তন।
মণ্ডল আকাৰে ভ্ৰমে হৰষিত মন॥ ২৩৫

মধ্যম কীৰ্ত্তন সতী জানিবা নিশ্চয়।
প্ৰেম ভক্তি ভাৰী হোৱে নাহিকে সংশয়॥
মৃদঙ্গাদি বাদ্য ধৰি কৰয় কীৰ্ত্তন।
ভাৱ ভঙ্গি দেখাই কতো আনন্দিত মন॥ ২৩৬

মণ্ডল আকাৰে ঘূৰে যত ভক্ত জন।
ৰাজসিক কীৰ্ত্তন বুলি স্বৰূপ বচন॥
পৃথিবীত পাৰে পৰি কৰয় কীৰ্ত্তন।
তামসিক কীৰ্ত্তন কহো নিশ্চিত বচন॥ ২৩৭
অনেক সৌভাগ্য সিটো পৃথিবীক পায়।
ভকতিৰ ভাগী নোহে মোক্ষ নপাৱয়॥
দ্ৰব্য অৰ্থ গতি কৰি কীৰ্ত্তন কৰয়।
পূৰ্ব্বৰো আশ্চৰ্য্য গুণ সম্প্ৰতি নোহয়॥ ২৩৮
সন্ধ্যা ভোজনত শ্ৰদ্ধা হেলাত মৰয়।
যোগী ইষ্ট অন্তৰন্ত সততে লৱয়॥
সহস্ৰ প্ৰভাৱে আবে কীৰ্ত্তন বোলয়।
যুক্তিৰ সাধন নিজ জানিবা নিশ্চয়॥ ২৩৯
একান্ত ভক্তক গুৰু মানিবে নিশ্চয়।
তাহাৰ সঙ্গত প্ৰেম কীৰ্ত্তন কৰয়॥
কেৱল পৰম ধৰ্ম্ম তাহাঙ্ক বোলয়।
সত্যে সত্যে কৈলো ব্ৰহ্মা :তোমাত নিশ্চয়। ২৪০
বিষ্ণুত বদতি ব্ৰহ্মা স্বৰূপ বচন।
কহিলো তোমাত ময় ভকতি লক্ষণ॥
নহৈবেক ভক্তি ডাকিবেক উচ্চ কৰি।
তাতে কতো লোকে দেখাই ফুৰিবে বাগৰি॥ ২৪১
ফুকিবেক শিঙ্গা শঙ্খ কৰিয়া আৰাৱ।
যেন মতোৱাল সবে হৈবেক স্বভাৱ॥
এহিমতে মন্দ বুদ্ধি হৈবেক নৰৰ।
নহৈব নহৈব গতি কলিৰ যুগৰ॥ ২৪২

পদ্ম পুৰাণৰ স্বৰ্গ খণ্ড ৰহস্যৰ।
বিৰচিল সাৰ্ব্বভৌম পতি বিপ্ৰবৰ॥
যদি বঢ়া টুটা হোৱে বুদ্ধিৰ দোষত।
ক্ষমি ৰাম ৰাম বোলা সন্তৰ লগত॥ ২৪৩

## সমাপ্ত

# জাননী

তলত লিখা কিতাপবিলাক আমাৰ দ্বাৰা প্ৰকাশিত হৈ নতুনকৈ ওলাল। আমাৰ হাতত বৰ্ত্তমান প্ৰচুৰ পৰিমাণে কিতাপ আছে। অৰ্ডাৰ প্ৰাৰ্থনীয়।

১। সাঁচিপতীয়া আকাৰৰ কীৰ্ত্তন পুথি ১০.০০
২। কীৰ্ত্তন ৭.০০
৩। ঘোষামৃত (অৰ্থসহ নামঘোষাৰ কিতাপ) ৪.০০
৪। দশম পুথি (জন্ম খণ্ড) .৩৭
৫। ভক্তি-তত্ত্ব দৰ্পণ ১.৫০
৬। হৰি মন্দিৰ .৮৭
৭। ভক্তিসাধন ১.২৫
৮। বৈষ্ণৱমালা ১.২৫
৯। বৈষ্ণৱ কীৰ্ত্তন ১.২৫
১০। বৈষ্ণৱ নিত্যকৃত্য .৬২
১১। নাম-ঘোষা ১.২৫
১২। মহিলা কীৰ্ত্তন .৭৫
১৩। মহাপুৰুষীয়া ধৰ্ম্ম আৰু গুৰুসকল .২৫
১৪। অৰ্জ্জুন সংবাদ .২৫
১৫। কাণখোৱা .২৫
১৬। স্যমন্ত হৰণ .২৫
১৭। ভীম চৰিত্ৰ .৫০
১৮। বলিছলন ১.৫০
১৯। ধ্ৰুৱ চৰিত্ৰ .৭৫
২০। শ্ৰীশ্ৰীশঙ্কৰদেৱৰ ছবি .৯
২১। লক্ষ্মী চৰিত্ৰ .২৫
২২। ৰাম বনবাস .৮৭
২৩। সীতা বনবাস .৫০
২৪। সীতা হৰণ .৮৭
২৫। জ্যোতিষ ৰত্নদৰ্পণ ১.৫০
২৬। অদ্ভুত গণনা ১.২৫
২৭। বিয়া নাম ১.৫০
২৮। আশীৰ্ব্বাদ .৭৫
২৯। ঢোলৰ মালিতা .৭৫
৩০। বৃহৎ বৈদ্যৰাজ ধন্বন্তৰী নিদান ১.৫০
৩১। বৰকৰতি ১.০০
৩২। মুখভঙ্গা মন্ত্ৰ .১৯
৩৩। বালী বধ .৭৫
৩৪। হুচৰী কীৰ্ত্তন .৩৭
৩৫। বিহুৱান .৫০
৩৬। কণিকা (গল্প) .৮৭
৩৭। জিলিঙ্গণি (গল্প) ১.০০
৩৮। আলহীঘৰৰ যাত্ৰী (উপন্যাস) ২.০০
৩৯। সৰ্ব্বব্যাধি মূলমন্ত্ৰ .২৫
৪০। কালি আৰু আজি ১.০০

ওপৰত লিখা কিতাপবোৰ আমাৰ বাহিৰে সস্তাত কোনেও দিব নোৱাৰে। জাননীখনৰ তলৰ ঠিকনা চাই কিতাপ মগায় যেন। কোনো গ্ৰাহকক অসন্তোষ কৰা আমাৰ নীতি নহয়। পৰীক্ষা প্ৰাৰ্থনীয়। পাইকাৰীক ২৫% টকা কৈ কমিচন দিয়া হয়।

ঠিকনা: ধলৰ সত্ৰ পুথি ভঁৰাল,
পো: ধলৰ সত্ৰ, যোৰহাট।